**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ড ভ্ৰমণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি গুজৰাটৰ সানন্দ বিধানসভা সমষ্টিত ৬৬ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে।

৩। কলকাতা উচ্চ ন্যায়ালয়ে ভাৰতীয় সেনাৰ প্ৰাক্তন সৈনিকসকলক কলকাতাৰ ময়দান অঞ্চলত থকা গান্ধী প্ৰতিমূৰ্তিৰ সন্মুখত প্ৰতিবাদ কৰাৰ অনুমতি প্ৰদান কৰিছে।

৪। আমেৰিকাৰ যুতাত ৰাজনৈতিক কৰ্মী ছাৰ্লি কাৰ্কক গুলীয়াই হত্যা কৰা হয়। *আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে ইউ এ ইক ৯ উইকেটত পৰাস্ত কৰি অভিযান আৰম্ভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ড ভ্ৰমণ কৰিব। বাৰাণসীত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে মৰিছাচৰ প্ৰধানমন্ত্ৰী নাভীনচন্দ্ৰ ৰামগুলামক সাক্ষাৎ কৰিব। ১৬ ছেপ্তেম্বৰপৰ্যন্ত ভাৰত ভ্ৰমণলৈ অহা মৰিছাচৰ প্ৰধানমন্ত্ৰীগৰাকী কালি সন্ধিয়া বাৰাণসীত উপস্থিত হয়। বাৰাণসীত উপস্থিত হোৱাৰ পাছত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দীবেন পেটেলে তেওঁক আদৰণি জনায়। যোৱা মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৰিছাচ ভ্ৰমণৰ পাছত দেশখনৰ প্ৰধানমন্ত্ৰী ৰামগুলামক এই ভাৰত যাত্ৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ মৰিছাচ ভ্ৰমণৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোচনাত মিলিত হৈছিল। বাৰাণসীত দুয়োগৰাকী নেতাৰ মাজত হ'বলগীয়া দ্বিপাক্ষিক আলোচনাত অংশীদাৰিত্ব শক্তিশালী কৰা সামৰ্থ বিকাশত বিশেষ গুৰুত্ব দি সহযোগিতাৰ সকলো দিশ সামৰি পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই স্বাস্থ্য, শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, শক্তি, আন্তঃগাঁথনি আদিৰ লগতে নৱীকৰণযোগ্য শক্তি, ডিজিটেল আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰত সহযোগিতা অধিক বৃদ্ধি কৰাৰ বিষয়ত আলোচনা কৰিব।

ইয়াৰ পাছত সন্ধিয়াৰ ভাগলৈ প্ৰধানমন্ত্ৰী মোদীয়ে বিমানেৰে উত্তৰাখণ্ডৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰ্যবেক্ষণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাদ অল থানিৰ সৈতে টেলিফোনেৰে কথা পাতি ডোহাত হোৱা শেহতীয়া আক্ৰমণ সন্দৰ্ভত গভীৰ উদ্বেগ প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কাটাৰৰ সাৰ্বভৌমত্ব উলংঘন কৰা কাৰ্যত ভাৰতে কঠোৰ ভাষাৰে গৰিহণা দিছে। তেওঁ কয়, যে নতুন দিল্লীৰ মহলে আলোচনা আৰু কূটনৈতিকভাৱে এই সমস্যা সমাধান হোৱাটো বিচাৰে। অঞ্চলটোত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ বাবে ভাৰতে সম্পূৰ্ণ সহযোগিতা প্ৰদান কৰাৰ লগতে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰোধিতা কৰি আহিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰিছে।

কাটাৰৰ জনসাধাৰণ আৰু দেশখনৰ সাৰ্বভৌমত্বৰ প্ৰতি দেখুওৱা সহমৰ্মিতাৰ বাবে শ্বেইখ তামিমে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে গুজৰাটৰ সানন্দ বিধানসভা সমষ্টিত ৬৬ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে। সমষ্টিটোৰ সামগ্ৰিক উন্নয়নৰ প্ৰতিশ্ৰুতিৰে শ্ৰীশ্বাহে কয়, যে ইয়াৰ প্ৰতিখন গাঁৱে ২০২৯ চনৰ ভিতৰত বিশুদ্ধ পানী, পথ, স্বাস্থ্যৰ যতন আৰু অনাময় ব্যৱস্থাকে ধৰি সকলোবোৰ মৌলিক সা-সুবিধা লাভ কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে ধলেৰা বিশেষ বিনিয়োগ অঞ্চলটো কাৰ্যক্ষম হৈ উঠাৰ লগতে সানন্দৰ ঔদ্যোগিক উন্নয়নমূলক প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যখনৰ ভিতৰতে এই অঞ্চলটো ঔদ্যোগিকভাৱে সবাতোকৈ উন্নত হিচাপে পৰিগণিত হ'ব। সানন্দ বিধানসভা সমষ্টিৰ বাবে প্ৰায় ১৫০ কোটি টকা মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে উদ্যোগপতিসকলৰ সৈতে হোৱা শেহতীয়া আলোচনাৰ ভিত্তিত শক্তিশালী উন্নত প্ৰশাসনিক পৰিকাঠামো তৈয়াৰ কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক পেড় মা কে নাম** অভিযানত অংশগ্ৰহণ কৰি গাঁও, বিদ্যালয়ত আৰু পৌৰনিগম আদিৰ মুকলি স্থানত যথাসম্ভৱ গছপুলি ৰোপণ কৰিবলৈ সকলো জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooo

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কিছুদিন পূৰ্বে ভাৰতীয় সেনা সন্দৰ্ভত কৰা আপত্তিজনক মন্তব্যৰ পাছত কলকাতা উচ্চ ন্যায়ালয়ে ভাৰতীয় সেনাৰ প্ৰাক্তন সৈনিকসকলক কলকাতাৰ ময়দান অঞ্চলত থকা গান্ধী প্ৰতিমূৰ্তিৰ সন্মুখত প্ৰতিবাদ কৰাৰ অনুমতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে সেনাৰ দ্বাৰা ময়দান অঞ্চলত তৃণমূল কংগ্ৰেছৰ এখন অস্থায়ী মঞ্চ আঁতৰাই দিয়াৰ পাছত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ভাৰতীয় সেনা সন্দৰ্ভত কিছু আপত্তিজনক মন্তব্য দিছিল। তৃণমূল কংগ্ৰেছক এই অস্থায়ী মঞ্চ সেই স্থানৰ পৰা আঁতৰোৱাৰ বাবে বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো দলটোৱে এই কথা আওকান কৰাৰ লগতে কলকাতা আৰক্ষীয়ে এই সন্দৰ্ভত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে সেনাই এই ব্যৱস্থা গ্ৰহণ কৰিছিল। ময়দান অঞ্চলটো ভাৰতীয় সেনাৰ নিয়ন্ত্ৰণৰ অধীনত আৰু ইয়াৰ ভূমিৰ এটা গুৰুত্বপূৰ্ণ অংশ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। এই ঘটনাৰ পাছত সৃষ্টি হোৱা পৰিস্থিতি আৰু এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যৰ পাছত কলকাতা উচ্চ ন্যায়ালয়ে ভাৰতীয় সেনাক প্ৰতিবাদ সাব্যস্ত কৰাৰ অনুমতি প্ৰদান কৰিছে। ন্যায়ালয়ে অৱশ্যে এই বিষয়ত কেতবোৰ নিষেধাজ্ঞাও জাৰি কৰিছে। সেই অনুসৰি বিজেপিৰ কোনো নেতাকেই এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণৰ অনুমতি প্ৰদান কৰা নহ'ব আৰু অংশগ্ৰহণকাৰীসকলৰ তালিকা আগতীয়াকৈ কলকাতা আৰক্ষীৰ ওচৰত দাখিল কৰিব লাগিব। তৃণমূল কংগ্ৰেছৰ অস্থায়ী মঞ্চ সেই স্থানৰ পৰা আঁতৰোৱা সন্দৰ্ভত মমতা বেনাৰ্জীয়ে কৰা মন্তব্যৰ পাছত পশ্চিমবংগ বিধানসভাত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয় আৰু বিৰোধী নেতা শুভেন্দু অধিকাৰীক তিনিদিনীয়া বিশেষ অধিৱেশনত বিধানসভাৰ পৰা নিলম্বন কৰা হয়। মমতা বেনাৰ্জীয়ে সেনাই বিজেপিৰ অধীনত কাম কৰি থকা বুলি আপত্তিজনক মন্তব্য দিছিল। ইয়াৰ পাছত সেনাৰ প্ৰাক্তন বিষয়াসকলে মমতা বেনাৰ্জীৰ মন্তব্য সন্দৰ্ভত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ বাবে কলকাতা উচ্চ ন্যায়ালয়ৰ অনুমতি বিচাৰিছিল।

ooooo

আমেৰিকাৰ উটাহত কালি এটা অনুষ্ঠান চলি থকাৰ সময়তে শক্তিশালী ৰাজনৈতিক কৰ্মী চাৰ্লি কাৰ্কক গুলীযায় হত্যা কৰা হয়। আৰক্ষীয়ে জনোৱা মতে, স্থানীয় সময় অনুসৰি বুধবাৰে প্ৰায় ১২ বাজি ১০ মিনিটত গুলীচালনা সংঘটিত হয়, আৰু ঘটনাত জড়িত সন্দেহজনক লোকজন আৰক্ষীৰ জিম্মাত আছে। চাৰ্লি কাৰ্ক এজন ৰক্ষণশীল ধাৰাভাস্যকাৰ আৰু লাখ লাখ অনুগামী থকা এজন পদকাষ্ট আয়োজক আছিল। তেওঁ টাৰ্নিং পইণ্ট ইউ এছ এৰ প্ৰতিষ্ঠাপক হিচাপে পৰিচিত, যিটো আমেৰিকাৰ কেম্পাছত ছাত্ৰ-ছাত্ৰীৰ মাজত ৰক্ষণশীল ধাৰণা বিয়পাই দিব বিচৰা এটা অবৈতনিক সংস্থা। এক্সত তেওঁৰ ৫২ লাখ আৰু টিকটকত ৭৩ লাখ ফ'ল'ৱাৰ আছিল।

ooooo

ধনকুবেৰ ইলন মাস্কক অতিক্ৰম কৰি অৰেকলৰ সহ-প্ৰতিষ্ঠাপক তথা আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মিত্ৰ লেৰী এলিছন বিশ্বৰ আটাইতকৈ ধনী ব্যক্তিৰ হোৱাৰ কৃতিত্ব অৰ্জন কৰিছে। ব্লুমবাৰ্গ বিলিয়নাৰ সূচকাংক অনুসৰি, মাস্কৰ ৩৮৫ বিলিয়ন ডলাৰ অতিক্ৰম কৰি এলিছনৰ সম্পত্তি ৩৯৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়। ডাটাভিত্তিক চফটৱেৰ কোম্পানীটোৱে বিনিয়োগকাৰীসকলক ক্লাউড আন্তঃগাঁথনি ব্যৱসায় আৰু কৃত্ৰিম বুদ্ধিমত্তা চুক্তিৰ বাবে আচৰিত ধৰণে ইতিবাচক দৃষ্টিভংগী প্ৰদান কৰাৰ পাছত অৰেকলৰ শ্বেয়াৰ ৪০ শতাংশতকৈ অধিক উত্থান ঘটিছে। শেহতীয়াকৈ ডাটা চেণ্টাৰ আন্তঃগাঁথনিৰ ক্ৰমবৰ্ধমান চাহিদাৰ বাবে অৰেকলৰ উত্থান ঘটিছে।

ooooo

**ভাৰতে পুৰুষৰ এছিয়া কাপ টী-২০ ক্ৰিকেট প্ৰতিযোগিতাত জয়েৰে অভিযান আৰম্ভ কৰিছে। গ্ৰুপ-এত নিজৰ প্ৰথমখন খেলত ভাৰতে যোৱা নিশা সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ- ইউ এ ইৰ বিৰুদ্ধে ৯ উইকেটত অনায়াসে জয়লাভ কৰে। ইউ এ ইৰ দলটোৱে প্ৰথমে বেট ধৰি ভাৰতৰ সন্মুখত ৫৮ ৰানৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ৪ অভাৰ আৰু ৩টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। অ'পেনাৰ অভিষেক শৰ্মাই ১৬টা বলত দুটা 'চাৰি' আৰু তিনিটা 'ছয়'ৰে ৩০ ৰান কৰে। প্ৰাৰম্ভিক যুটীত শুভমন গীলৰ সৈতে অভিষেকে ৩ অভাৰ আৰু ৫টা বলত ৪৮ ৰান যোগ দিয়ে। শুভমনে ৯টা বলত দুটা 'চাৰি' আৰু এটা 'ছয়'ৰে অপৰাজিতভাৱে ২০ ৰানৰ বৰঙণি যোগায়। ইয়াৰ পূৰ্বে ভাৰতৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।**

**ইউ এ ইৰ দলটোৱে ১৩ অভাৰ আৰু এটা বলত মাত্ৰ ৫৭ ৰানতে ইনিংছ সামৰে। দলটোৰ হৈ কেৰ্‌ৱল আলিশান শ্বাৰাফুৱে ২২ ৰান আৰু মহম্মদ ৱাছীমে ১৯ ৰানৰ দুটা অংকৰ স্ক'ৰত উপনীত হয়। ভাৰতৰ কুলদীপ যাদৱে ৭ ৰানত চাৰিটা আৰু শিৱম ডুবেই ৪ ৰানত তিনিটা উইকেট দখল কৰে। প্ৰতিযোগিতাত ১৪ ছেপ্টেম্বৰত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।**

ooooo

ভাৰতৰ নূপুৰ শ্বেওৰানে লিভাৰপুলত চলি থকা থকা বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। মহিলাৰ ৮০ কিলোগ্ৰাম উৰ্দ্ধৰ কোৱাৰ্টাৰ ফাইনেলত ২৬ বছৰীয়া নূপুৰে কালি উজবেকিস্তানৰ অল্টিনয় ছটিমবয়েভাক ৪-১ৰ ফলাফলত পৰাস্ত কৰে। ছেমি ফাইনেলত তেওঁ তুৰস্কৰ ছেইমা ডুজটাছৰ সন্মুখীন হ'ব।

ooooo

সমাপ্ত